[২০১০] ২ এচ.চি.আৰ. ১০৯

পূণম চন্দ জৈন আৰু অন্যান্য

-বনাম-

ফজৰু

(২০১০চনৰ ফৌজদাৰী আপীল নং ২০৩)

জানুৱাৰী ২৮, ২০১০

[ন্যায়াধীশ জি. এচ. সিংভী আৰু ন্যায়াধীশ অশোক কুমাৰ গাংগুলী]

*ফৌজদাৰী কাৰ্য্যবিধি, ১৯৭৩ : ধাৰা ২০৩- প্ৰথম অভিযোগটি যোগ্যতাৰ ভিত্তিত খাৰিজ কৰা হয়। প্ৰথম অভিযোগ খাৰিজৰ সত্যতা প্ৰকাশ নকৰাকৈ একেই তথ্যৰ ভিত্তিত দ্বিতীয় অভিযোগ দাখিল কৰা হৈছে- ৰক্ষণাবেক্ষণ- উপস্থাপন কৰা হৈছিল যে, ধাৰা ২০৩ৰ অধীনত দিয়া খাৰিজৰ আদেশে একে তথ্যৰ ভিত্তিত দিয়া দ্বিতীয় অভিযোগ গ্ৰহণৰ ক্ষেত্ৰত কোনো বাধাৰ সৃষ্টি নকৰে, কিন্তু কেৱল ব্যতিক্ৰমী পৰিস্থিতিৰ ক্ষেত্ৰতহে সেয়া প্ৰযোজ্য- তথ্যৰ ভিত্তিত দুয়োটা অভিযোগৰ কেন্দ্ৰবিন্দু একেই আছিল- দ্বিতীয় অভিযোগ ব্যতিক্ৰমী পৰিস্থিতিৰ আওঁতাত নাহে- সেই দৃষ্টিত দ্বিতীয় অভিযোগৰ ৰক্ষণাবেক্ষণ প্ৰযোজ্য নহয়।*

বৰ্তমানৰ আপীলৰ ক্ষেত্ৰত যি প্ৰশ্ন উত্থাপিত হৈছে সেয়া হৈছে- অভিযোগ খাৰিজৰ আদেশ সম্পূৰ্ণ হোৱাৰ পিছত, প্ৰথম অভিযোগ দাখিল কৰা বা প্ৰথম অভিযোগৰ খাৰিজৰ সত্যতা প্ৰকাশ নকৰাকৈ অভিযোগকাৰীয়ে প্ৰায় একেই তথ্যৰ ভিত্তিত আন এটা অভিযোগ দাখিল কৰিব পাৰে নে নোৱাৰে।

আপীল গ্ৰহণ কৰাৰ পিছত ন্যায়ালয়ৰ সিদ্ধান্ত-

উপস্থাপন কৰে যে, ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ২০৩ৰ অধীনত দিয়া খাৰিজৰ আদেশে একে তথ্যৰ ভিত্তিত দিয়া দ্বিতীয় অভিযোগ গ্ৰহণৰ ক্ষেত্ৰত কোনো বাধাৰ সৃষ্টি নকৰে, কিন্তু কেৱল ব্যতিক্ৰমী পৰিস্থিতিহে এয়া প্ৰযোজ্য হয়। এই ব্যতিক্ৰমী পৰিস্থিতি সমূহ এনেধৰণৰ হ'ব পাৰে ---- (ক) য'ত পূৰ্বৰ আদেশ অসম্পূৰ্ণ তথ্যৰ ভিত্তিত দিয়া হৈছিল (খ) অথবা, অভিযোগৰ প্ৰকৃতি সম্পৰ্কে ভুল ধাৰণাৰ ভিত্তিত দিয়া হৈছিল (গ) অথবা, যি আদেশ দিয়া হৈছিল সেয়া স্পষ্টকৈ অযুক্তিকৰ, বিবেচনাহীন বা মূৰ্খামী আছিল অথবা (ঘ) য'ত নতুন তথ্য অশেষ প্ৰচেষ্টাৰ স্বত্তেও প্ৰথম শুনানিৰ অভিলেখত নিবদ্ধ কৰিব পৰা নাছিল। বৰ্তমানৰ গোচৰটো হৈছে- দ্বিতীয় অভিযোগটো প্ৰথম অভিযোগৰ প্ৰায় অনুৰূপ তথ্যৰ ভিত্তিত দাখিল কৰা হৈছিল আৰু যিটো তথ্যৰ ভিত্তিত খাৰিজ কৰা হৈছে। দুয়োটা অভিযোগৰ সাৰমৰ্ম একেই আছিল। তেনেধৰণৰ একো কথা প্ৰকাশ পোৱা নাছিল যি প্ৰকৃতাৰ্থত নতুন আছিল আৰু যি প্ৰথম অভিযোগত উত্থাপন কৰা হোৱা নাছিল। অশেষ প্ৰচেষ্টাৰ পিছটো এনে গোচৰ প্ৰস্তুত কৰিব পৰা হোৱা নাছিল যে, দ্বিতীয় গোচৰত বৰ্ণনা কৰা তথ্য সমূহ প্ৰথম গোচৰৰ পৰিসৰৰ ভিতৰত আছিল। প্ৰকৃতাৰ্থত তেনেধৰণৰ এটা গোচৰ প্ৰস্তুত কৰিব পৰা হোৱা নাছিল যিহেতু, উভয় অভিযোগৰ তথ্যসমূহ প্ৰায় একেই আছিল। এতেকে, দ্বিতীয় অভিযোগটো ব্যতিক্ৰমী পৰিস্থিতিৰ অন্তৰ্গত নহয়। গোচৰটোৰ উক্ত দৃষ্টিকোণৰ পৰা সত্যতাৰ ওপৰত ভিত্তি কৰি দ্বিতীয় অভিযোগটো গ্ৰহণযোগ্য নহয়। দূৰ্ভাগ্যবশত, উত্তৰদাতাৰ ৰিভিজনৰ (পূনৰ্নিৰীক্ষণ) আবেদন মঞ্জুৰ কৰোতে, উচ্চন্যায়ালয়ে উক্ত আইনগত অৱস্থানৰ সঠিক মূল্যাংকণ কৰাত ব্যৰ্থ হয়। উচ্চ ন্যায়ালয়ে ৰিভিজনৰ ক্ষেত্ৰাধিকাৰ মৰ্মে প্ৰদান কৰা আদেশ গ্ৰহণযোগ্য নহয় আৰু সেয়া ৰদ কৰা হ'ল।

[দফা নং ২৩, ২৭ আৰু ২৮] [১১৬- এ.- চি.; ১১৮- চি.- জি.]

*প্ৰমথা নাথ তালুকদাৰ আৰু আন এজন -বনাম- সৰোজ ৰঞ্জন সৰকাৰ* এ.আই.আৰ. ১৯৬২ এচ.চি. ৮৭৬; *জতিন্দ্ৰ সিং আৰু অন্যান্য -বনাম- ৰঞ্জিত কৌৰ* এ.আই.আৰ. ২০০১ এচ.চি. ৭৮৪; *মহেশ চন্দ বনাম বি. জনাৰ্দন ৰেদ্দী আৰু আন এজন* (২০০৩) ১ এচ.চি.চি. ৭৩৪; *হিৰালাল আৰু অন্যান্য -বনাম- উত্তৰ প্ৰদেশ ৰাজ্য আৰু অন্যান্য* এ.আই.আৰ. ২০০৯ এচ.চি. ২৩৮০, এই ৰায়সমূহত নিৰ্ভৰ কৰা হ'ল।

গোচৰ বিধিৰ উদ্ধৃতি-

এ.আই.আৰ. ১৯৬২ এচ.চি. ৮৭৬ নিৰ্ভৰ কৰা হয় দফা ২৩

এ.আই.আৰ. ২০০১ এচ.চি. ৭৮৪ নিৰ্ভৰ কৰা হয় দফা ২৪

(২০০৩) ১ এচ.চি.চি. ৭৩৪ নিৰ্ভৰ কৰা হয় দফা ২৫

এ.আই.আৰ. ২০০৯ এচ.চি. ২৩৮০ নিৰ্ভৰ কৰা হয় দফা ২৬

ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ; ফৌজদাৰী আপীল নং ২০৩/২০১০।

ফৌজদাৰী ৰিভিচন নং ৫৫২/২০০০ত ৫.২.২০০৯ৰ পাঞ্জাৱ ও হাৰিয়ানা উষ্চ ন্যায়ালয়ৰ চণ্ডীগড় বিচাৰপীঠৰ ৰায় ও আদেশ পৰা উদ্ধৃত কৰা হ'ল।

আপীলকাৰীৰ পক্ষত এ.এম. সিংভি, ইউ.ইউ. ললিত, জয়ন্ত মোহন, ৰাহুল প্ৰতাপ (Coacৰ কাৰণে)।

উত্তৰদাতাৰপক্ষত খুৰশ্বিদ আহমেদ, মেহতাব আহমেদ, আফতাব আলী খান।

আদালতত ৰায়দান কৰে

ন্যায়াধীশ গাংগুলী- ১) আবেদন মঞ্জুৰ কৰা হ'ল।

২) ফৌজদাৰী ৰিভিচন নং ৫৫২/২০০০ত উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৫.২.২০০৯ৰ ৰায়ৰ বিৰুদ্ধে এই আপীল ৰুজু কৰা হৈছিল।

৩) এই আদালতৰ সন্মুখত আপীলকাৰীৰ মূখ্য বিৰোধ এইয়ে যে, কোনো অজুহাত নথকা স্বত্তেও উত্তৰদাতাই বাৰংবাৰ একেই তথ্যৰ ভিত্তিত অভিযোগ ৰুজু কৰি আহিছে তথা উচ্চ ন্যায়ালয়ে সত্যতা অথবা আইনী অৱস্থানৰ সঠিক মূল্যাংকণ নকৰাকৈ উত্তৰদাতাৰ ৰিভিচন আবেদন মঞ্জুৰ কৰিছে আৰু ন্যায়প্ৰণালীৰ গুৰুতৰ ব্যৰ্থতা সংঘটিত কৰাইছে।

৪) বস্তুগত তথ্য এয়ে যে, উত্তৰদাতাই নুহৰ প্ৰথম শ্ৰেণীৰ ন্যায়াধীশৰ আদালতত ১০.০৬.১৯৯২তাৰিখে অভিযোগ ৰুজু কৰে যে, আপীলকাৰী- যাৰ নিজৰ মালিকীস্বত্ত আৰু দখলত ফৰিদাবাদত ঘৰ আছিল, উত্তৰদাতাৰ সংস্পৰ্শলৈ আহি উত্তৰদাতাৰ বিশ্বাস জয় কৰে। উক্ত অভিযোগত এই কথা উত্থাপন কৰা হয় যে, উত্তৰদাতাজন গাৱঁৰ অশিক্ষিত আৰু নিৰীহ ব্যক্তি, যাক আপীলকাৰীৰ হৈ মহন্মদপূৰ গাওঁত প্ৰায় ৬০একৰৰ বেলেগ বেলেগ ভূমিখণ্ড ক্ৰয় কৰিবলৈ প্ৰৰোচিত কৰা হয়। সেইমতে উত্তৰদাতাই মহন্মদপূৰৰ প্ৰায় ৬০ একৰ ভূমি বিক্ৰী কৰিবলৈ চুক্তিবদ্ধ হয়।

৫) উক্ত অভিযোগত পুনৰ আৰোপ উত্থাপন কৰা হয় যে, বিভিন্ন “বিক্ৰী দলিল’ সম্পাদন আৰু পঞ্জীকৰণ কৰা হয় আৰু উত্তৰদাতাক এইধাৰণা দিয়া হয় যে, সেই দলিলসমূহ আপীলকাৰী তথা উত্তৰদাতাৰ যুটীয়া নামত পঞ্জীকৃত কৰা হৈছে।

৬) ভূমি পঞ্জীয়ন দলিলত উত্তৰদাতাক বুঢ়া আঙুলিৰ ছাপ লগাবলৈ কোৱা হয় বুলি আকৌ অভিযোগ কৰা হয় আৰু, তেওঁক পুনৰ আশ্বাস দিয়া হয় যে, নুহৰ মহম্মদপূৰ গাওঁত অৱস্থিত ভূমি, আপীলকাৰী আৰু উত্তৰদাতাৰ যৌথ নামত স্থানান্তৰিত কৰা হ’ব।

৭)অভিযোগ অনুযায়ী উত্তৰদাতা আপীলকাৰীৰ দ্বাৰা প্ৰতাৰিত হৈছিল আৰু সেই কথা যেতিয়া উত্তৰদাতাই উপলব্ধি কৰে তেওঁ চিত্তৰঞ্জন পাৰ্ক থানাত ২৮.০৬.১৯৯১ তাৰিখে অভিযোগ দাখিল কৰে বুলি জনায়। কিন্তু, উক্ত থানাই গোটেই ঘটনাক্ৰম সেই থানাৰ ভৌগোলিক ক্ষেত্ৰাধিকাৰৰ বাহিৰত সংঘটিত হোৱা বুলি অন্যথা কাৰণ দৰ্শাই কোনো ধৰণৰ পদক্ষেপ লোৱাৰ পৰা বিৰত থাকে।

৮) অভিযোগত উল্লেখিত গোচৰ এইয়ে যে, উত্তৰদাতাই স্থানীয় থানাত অভিযোগ ৰুজু কৰিব বিচাৰিছিল কিন্তু, পদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত যিহেতু আৰক্ষী ব্যৰ্থ হয়, তেওঁ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ সন্মুখত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪২০/১২০বি/৪২৬ৰ অধীনত অভিযোগ ৰুজু কৰে।

৯) সেই অভিযোগ দাখিল হোৱাৰ পিছত নুহৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশে গোচৰ গ্ৰহণ কৰে আৰু তথ্যগত তথা আইনগত অৱস্থানৰ বিস্তাৰিত বিশ্লেষণ কৰাৰ পিছত প্ৰথম শ্ৰেণীৰ ন্যায়ধীশে অৱশেষত ১৩.০১.১৯৯৪ তাৰিখে নিম্নলিখিত সিদ্ধান্তত উপনীত হয় –

> “এতেকে, গোচৰীয়াৰ সমগ্ৰ কাহিনীটো মনেসজা আৰু সেয়েহে অভিযোগৰ অধিক তদন্তলৈ নোযোৱাকৈ তাৎক্ষণিকভাৱে পৰিত্যাগ কৰাটো বাঞ্চনীয়। গতিকে, ধাৰা ৪২০ৰ অভিযোগ খাৰিজ কৰা হ’ল আৰু লগতে সহ আৰোপীও। অভিলেখ প্ৰেৰণ কৰা হওঁক।”

১০) উত্তৰদাতাই দণ্ডাধীশৰ উক্ত ৰায়ৰ বিৰুদ্ধে এক ৰিভিচনৰ আবেদন পাঞ্জাৱ ও হাৰিয়ানা উচ্চ ন্যায়ালয়ত তৰে। উক্ত ৰিভিচন আবেদনখনো ১২.০২.১৯৯৬ তাৰিখে খাৰিজ হয় আৰু আবেদনখন খাৰিজ কৰোতে উচ্চ ন্যায়ালয়ে নিম্নলিখিত কাৰণ দৰ্শায়–

“বিচাৰ আদালতৰ ৰায় পঢ়ি তথা উভয় পক্ষৰ আইনজ্ঞৰ যুক্তি শুনাৰ পিছত মোৰ দৃষ্টিকোণত গোচৰটি হস্তক্ষেপৰ বাবে সথিক নহয়। খাৰিজ কৰা হ’ল।”

১১) উচ্চ ন্যায়ালয়ৰ উক্ত ৰায়ৰ বিৰুদ্ধে পদক্ষেপ নোলোৱাত আৰু ৰায়টোৱে চূড়ান্ত ৰূপ লাভ কৰিছিল। এইকথা উল্লেখ কৰিব পাৰি যে, উত্তৰদাতাই অন্যথা একেই অভিযোগৰ ভিত্তিত এক ‘দেৱানী’ গোচৰ তৰে। উক্ত দেৱানী গোচৰটো, নং ৫৯৯/৯২ হিচাবে পঞ্জীকৃত হয় আৰু সেয়া নুহৰ চিভিল জৰ্জ, জুনিয়ৰ দিভিজনে ক্ৰটীৰ বাবে খাৰিজ কৰে।

১২) খাৰিজৰ উক্ত আদেশৰ বিৰুদ্ধে কোনো পদক্ষেপ লোৱাৰ চেষ্টা নকৰাৰ ফলত চূড়ান্ত হৈ পৰে।

১৩) ইতিমধ্যে, আপীলকাৰী সকলে কেইবাটাও গোচৰ ৰুজু কৰে যাৰ ভিতৰত কিছুমান বিভিন্ন সংস্থাৰ দাৰা উত্তৰদাতাৰ বিৰুদ্ধে স্থায়ী নিষোধজ্ঞা ও অন্যান্য উপসম বিচাৰি ৰুজু কৰা হৈছিল। এই গোচৰসমূহ নিম্নলিখিত ক্ৰমত পঞ্জীকৃত হৈছিল -

“(i) ২৪১/৮৯ নং গোচৰত মেছাৰ্ছ এছ. পি. এম. এল. ইণ্ডিয়া লিমিটেডৰ লগতে *সুমন মালিক, স্বা.- বাল্কিছান/উছমান আবছুল ৰহিম আৰু হানিফ -বনাম- ফজৰু, পি.- ভেৰ খান আৰু ৰহিম বাক্স, পি. শ্ৰী কাহো খান*৷

(ii) ২৮.১১.১৯৮৯ তাৰিখৰ গোচৰ নং ২৪২/৮৯ টা শিৰোনাম *মেচাৰ্চ এছ. পি. এম. এল. ইণ্ডিয়া লিমিটেড আৰু অন্যান্য -বনাম- ফজৰু আৰু অন্যান্য*৷

(iii) ২১.১১.১৯৮৯ তাৰিখৰ গোচৰ নং ২৪৩/৮৯ শিৰোনাম *পুনম চান্দ এফ.ছেঠী আৰু অন্যান্য -বনাম- ফজৰু আৰু অন্যান্য*৷

(iv)গোচৰ নং ২৪৪/৮৯ শিৰোনামা- *মেচাৰ্চ এছ. পি. এম. এল. ইণ্ডিয়া লিমিটেড -বনাম- ফজৰু আৰু অন্যান্য*৷”

১৪) উত্তৰদাতাৰ বিৰুদ্ধে থকা সমূহ গোচৰত সাধাৰণ/ অনুৰূপ প্ৰশ্ন জড়িত থকা বাবে গোটেই কেইটা গোচৰ একেলগ কৰা হয় আৰু শুনানী গ্ৰহণ কৰা হয়।

১৫) চাৰিটা গোচৰেই মাচুল তথা আচামীৰ ক্ষেত্ৰত সফল হয় আৰু লগতে গোচৰকাৰীক ন্যায়িক আধাৰত প্ৰস্তুত কৰা প্ৰণালীৰ অবিহনে গোচৰীয় ভূমিৰ পৰা বেদখল কৰাত উত্তৰদাতাক বাধা প্ৰদান কৰা হয়। চূড়ান্ত ৰায়দানৰ আগত দেৱানী আদালতে নিম্নলিখিত সিদ্ধান্তসমূহত উপনীত হয়–

> “২৩) গোচৰীয়াই কৰা মৌখিক তথা লিখিত নথিৰ আধাৰত এইটো প্ৰমাণিত হৈছে যে, গোচৰীয়াসকলে মূল মালিকৰ পৰা গোচৰত উল্লিখিত ভূমি ক্ৰয় কৰিছিল আৰু ওচমান হানিফ তথা আব্দুল ৰহিমে গোচৰৰ ভূমি খেতিৰ নিমিত্তে লেচী হিচাবে দখল কৰি আছে। ১নং বিৰোধী পক্ষই গোচৰৰ ভূমি তেওঁৰ দখলত নাই বুলি নিজেই স্বীকাৰ কৰিছে। ২নং বিৰোধী পক্ষই ইতিমধ্যে গোচৰীয়া সকলৰ দাবী স্বীকাৰ কৰিছে। এতেকে, গোচৰীয়া সকলে তেওঁলোকে প্ৰাৰ্থনা কৰা মতে, স্থায়ী নিষেধাজ্ঞাৰ আদেশ পোৱাৰ যোগ্য বুলি সিদ্ধান্ত গ্ৰহণ কৰা হ’ল। গতিকে, গোচৰটি বাদীৰ (গোচৰীয়া) পক্ষত তথা বিবাদী(বিৰোধী পক্ষ)ৰ বিৰুদ্ধে বুলি সিদ্ধান্ত গ্ৰহণ কৰা হ’ল।”

১৬) ২৭.১০.১৯৯৭ তাৰিখে প্ৰদান কৰা উক্ত আদেশনামা উত্তৰদাতাই বিৰোধিতা কৰা নাছিল আৰু গতিকে এয়া চূড়ান্ত হৈ পৰে।

১৭) দেৱানী গোচৰ সমূহৰ ওপৰত ২৪.১০.১৯৯৭ তাৰিখে হুকুমনামা প্ৰদান কৰাৰ এমাহ পিছত অৰ্থাৎ ২৫.১১.১৯৯৭ তাৰিখে উত্তৰদাতাই ন্যায়িক দণ্ডাধীশৰ আদালতত একেই তথ্যৰ ভিত্তিত অন্য এক অভিযোগ ৰুজু কৰে। প্ৰকৃতাৰ্থত গোচৰৰ ৪,৬,৭ আৰু ৯ নং দফাসমূহৰ পূৰ্বৰ অভিযোগৰ লগত

স্পষ্টকৈ সামঞ্জস্য আছে। এয়া উল্লেখ কৰিব পাৰি যে, দ্বিতীয় অভিযোগত প্ৰথম অভিযোগ ৰুজু কৰা তথ্য তথা প্ৰথম অভিযোগ খাৰিজ হোৱাৰ তথ্য সম্পূৰ্ণভাৱে গাপ দিয়া হৈছিল।

১৮) উক্ত অভিযোগত দণ্ডাধীশে ১ নং ও ২ নং আপীলকাৰীক তলব কৰি এক ৰায় প্ৰদান কৰে। ওপৰোক্ত তলব কৰা আদেশৰ বিৰোধিতা কৰি আবেদনকাৰীসকলে গুড়গাওঁৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতত এক ফৌজদাৰী ৰিভিজন আবেদন ৰুজু কৰে আৰু গুড়গাওঁৰ অতিৰিক্ত সত্ৰন্যায়াধীশ গৰাকীয়ে উক্ত ৰিভিজন মঞ্জুৰ কৰে আৰু ০৯.০৭.১৯৯৯ তাৰিখে প্ৰদান কৰা এক আদেশমৰ্মে পূৰ্বৰ তলব আদেশখন ৰদ কৰে। উক্ত আদেশৰ বিৰোধিতাত উত্তৰদাতাই উচ্চ ন্যায়ালয়ত ফৌজদাৰী ৰিভিজন আবেদন ২০০০চনৰ ক্ৰমাংক ৫৫২ত পঞ্জীকৰণ কৰে আৰু মাননীয় উচ্চ ন্যায়ালয়ে অতিৰিক্ত সত্ৰন্যায়াধীশে প্ৰদান কৰা আদেশ খণ্ডন কৰে আৰু আপীলকাৰীক সেইখন আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে য'ত আপীলকাৰীক সকলো যুক্তি উপস্থাপন কৰিবলৈ স্বাধীনতা প্ৰদান কৰা হৈছিল আৰু লগতে ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ২৪৫ৰ অধীনত আদেশৰ ৰিভিজন বিচাৰিবলৈ নিৰ্দেশ দিয়ে।

১৯) উক্ত আদেশৰ বিৰোধিতাত আপীলকাৰীসকলে বিশেষ অনুমতি আবেদন এখন এই আদালতত ৰুজু কৰে য'ত, অনুমতি মঞ্জুৰ কৰা হয় আৰু ফৌজদাৰী আপীল নং ৩৭১/০৪ত পঞ্জীকৃত কৰা হয়।

২০) উক্ত ফৌজদাৰী আপীলত এই আদালতে প্ৰাসংগিক বিষয়বস্তুৰ ক্ষেত্ৰত যোগাত্মক তথ্য আৱিস্কাৰ কৰিবলৈ গোচৰটো উচ্চ ন্যায়ালয়লৈ উভতাই পঠায়। গোচৰটো উভতাই পঠাওঁতে এই আদালতে এই ধাৰণা গ্ৰহণ কৰে যে, উচ্চ ন্যায়ালয়ে 'তলব' আদেশ প্ৰদান কৰা ৰায়ৰ বৈধতা এই আদালতে নিৰ্ধাৰিত কৰা বিধিৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰা নাছিল। উক্ত ফৌজদাৰী

আপীলৰ ১৫.১০.০৪ তাৰিখে প্ৰদান কৰা আদেশৰ শেষভাগত এই আদালতে প্ৰদান কৰা সঠিক নিৰ্দেশ নিম্নলিখিত ধৰণৰ –

> “যিহেতু, উচ্চ ন্যায়ালয়ে বিচাৰ প্ৰক্ৰিয়া গ্ৰহন কৰা নিৰ্দেশ দিয়া ৰায়ৰ বৈধতা এই আদালতে নিৰ্ধাৰিত কৰা বিধিৰ দৃষ্টিকোনৰ পৰা বিচাৰ কৰি চোৱা নাই, আমি অনুভৱ কৰো যে, প্ৰাসংগিক বিষয়বস্তুৰ ক্ষেত্ৰত যোগাত্মক তথ্য আৱিস্কাৰ কৰিবলৈ গোচৰটো উচ্চ ন্যায়ালয়লৈ ওভতাই পঠোৱা উচিত হ’ব।”

২১) উক্ত গোচৰটো উচ্চ ন্যায়ালয়লৈ উভতাই প্ৰেৰণ কৰাৰ পাছত উচ্চ ন্যায়ালয়ে যুক্তিগত আদেশ প্ৰদান কৰে য’ত কোৱা হয় যে, ০৯.০১.১৯৯৯ তাৰিখে দণ্ডাধীশে আপীলকাৰীক তলব কৰি ৰায়দান কৰা আদেশ পূৰ্ণস্থাপিত কৰা হয় আৰু আপীলকাৰীক বিচাৰৰ সন্মুখীন হ’বলৈ নিৰ্দেশ দিয়ে।

২২) উক্ত সত্যতাৰ পটভূমিত সৃষ্টি হোৱা এই আদালতে বিচাৰ কৰিব লগীয়া প্ৰশ্নটো এইয়ে যে, অভিযোগ খাৰিজ কৰি প্ৰদান কৰা ৰায় চূড়ান্ত হোৱাৰ পিছত, অভিযোগকাৰীয়ে প্ৰায় অনুৰূপ তথ্যৰ ভিত্তিত প্ৰথম অভিযোগ ৰুজু কৰাৰ সত্যতা বা উক্ত অভিযোগ বৰ্খাস্ত কৰাৰ তথ্য প্ৰকাশ নকৰাকৈ দ্বিতীয়খন অভিযোগ দাখিল কৰিব পাৰে নে নোৱাৰে।

২৩) *প্ৰমথা নাথ তালুকদাৰ আৰু আন এজন –বনাম– সৰোজ ৰঞ্জন চৰকাৰ* (এ.আই.আৰ. ১৯৬২ এচ.চি. ৮৭৬)ৰ গোচৰৰ ক্ষেত্ৰত এই আদালতৰ সন্মুখত প্ৰায় একেধৰণৰ প্ৰশ্নৰ সৃষ্টি হৈছিল। *প্ৰমথা নাথ*(সুপ্ৰা) গোচৰত সংখ্যাগৰিষ্ট আদেশ ন্যায়াধীশ কাপুৰে প্ৰদান কৰিছিল। মহামান্য বিচাৰপতিয়ে ৰায়দান কৰে যে, ফৌজদাৰি কাৰ্য্যবিধি (সংক্ষেপে ‘কাৰ্য্যবিধি’)ৰ ধাৰা ২০৩ অনুযায়ী একেই তথ্যৰ ভিত্তিত তৰা দ্বিতীয় অভিযোগ গ্ৰহণ কৰাত কোনো বাধা নিষেধ নাই, কিন্তু কেৱল ব্যতিক্ৰমী পৰিস্থিতিৰ ক্ষেত্ৰতহে সেয়া গ্ৰহণযোগ্য। এই আদালতে ব্যতিক্ৰমী পৰিস্থিতিক

এনেধৰণে বৰ্ণনা কৰে- (ক) য'ত পূৰ্বৰ আদেশ অসম্পূৰ্ণ তথ্যৰ ভিত্তিত দিয়া হৈছিল (খ) অথবা অভিযোগৰ প্ৰকৃতি সম্পৰ্কে ভূল ধাৰণাৰ ভিত্তিত লোৱা হৈছিল (গ) অথবা যিটো আদেশ দিয়া হৈছিল সেয়া স্পষ্টকৈ অযুক্তিকৰ, বিবেচনাহীন আৰু মূৰ্খমী আছিল (ঘ) অথবা য'ত নতুন তথ্য অশেষ প্ৰচেষ্টাৰ স্বত্তেও প্ৰথম শুনানিৰ অভিলেখত অন্তৰ্ভূক্ত কৰিব পৰা হোৱা নাছিল। এই আদালতে ভালদৰে স্পষ্ট কৰি দিয়ে যে, গোচৰ এটাৰ বিচাৰ সম্পূৰ্ণ কৰি ৰায়দান কৰাৰ পিছত ন্যায়ৰ স্বাৰ্থত অভিযোগকাৰীক আকৌ এবাৰ বিষয়টোক বিচাৰাধীন কৰিবলৈ সুযোগ দিয়াৰ অনুমতি প্ৰদান নকৰে। উক্ত ৰায়ৰ ৫০নং দফাত এই আদালতৰ সংখ্যাগৰিষ্ট আদেশত এই মত পোষণ কৰা হয় যে, নতুন সাক্ষী বা তথ্য এনেধৰণৰ হ'ব লাগিব যিটো যুক্তিসংগত প্ৰচেষ্টাৰ পিছতো অভিলেখত অন্তৰ্ভূক্ত কৰিব পৰা হোৱা নাছিল। এই আদালতে স্পষ্টভাৱে স্থাপন কৰিছে যে, এইটো এক স্থাপিত আইন হ'ব নোৱাৰে য'ত অভিযোগকাৰীক তেওঁৰ দখলত থকা কিছুমান তথ্য দণ্ডাধীশৰ সন্মুখত উপস্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰা হয় আৰু অভিযোগ খাৰিজ হ'লে পুনৰ কিছুমান তথ্য যোগ দিয়ে। এই আদালতৰ মতে তেনেধৰণৰ কাৰ্য্যধাৰা আইনৰ সঠিক দৃষ্টিভঙ্গীত অনুমোদনযোগ্য নহয় (দফা ৫০, পৃষ্ঠা ৮৯৯)।

২৪) *জতিন্দ্ৰ সিং আৰু অন্যান্য -বনাম- ৰঞ্জিত কৌৰ* - (এ.আই.আৰ. ২০০১ এচ.চি. ৭৮৪) গোচৰত উক্ত প্ৰশ্নটো আকৌ বিচাৰৰ বাবে উপস্থাপন কৰা হৈছিল। *প্ৰমথানাথ* (সুপ্ৰা) গোচৰত গ্ৰহণ কৰা নীতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই এই আদালতে তাত ৰায় প্ৰদান কৰিছিল যে, কাৰ্য্যবিধি বা বেলেগ কোনো আইনত এনেধৰণৰ কোনো বিধান নাই যিয়ে প্ৰথম অভিযোগৰ একেই তথ্যৰ ভিত্তিত কৰা দ্বিতীয় এখন অভিযোগ দাখিল কৰাত নিষেধাজ্ঞা প্ৰদান কৰে। কিন্তু এই আদালতে লগতে স্থাপন কৰে যে, কাৰ্য্যবিধিৰ ধাৰা ২০২ৰ

অধীনত তদন্ত কৰি যেতিয়া দণ্ডাধীশে তথ্যৰ ভিত্তিত এটা অভিযোগ খাৰিজ কৰে তেন্তে, একেই তথ্যৰ ভিত্তিত দ্বিতীয় এটা অভিযোগ দাখিল কৰিব নোৱাৰি যদিহে, তাত কোনো ব্যতিক্রমী পৰিস্থিতি নাথাকে। এই আদালতে দফা ১২ত স্থাপন কৰে যে, যদিহে প্ৰথম অভিযোগটো তথ্যৰ ভিত্তিত নহয় কিন্তু আবেদনৰ ক্ৰটিৰ বাবেহে খাৰিজ কৰা হয় তেন্তে, একেই তথ্যৰ ভিত্তিত দ্বিতীয় অভিযোগটো ৰুজু কৰাত কোনো বাধা নাই। কিন্তু, যদিহে কাৰ্য্যবিধিৰ ধাৰা ২০৩ৰ অধীনত তথ্যৰ ভিত্তিত গোচৰটো খাৰিজ কৰা হৈছিল তেন্তে, আইনী অৱস্থান বেলেগ হ'ব। এই উদ্বৃতি দি বিদ্যান ন্যায়াধীশে ৰায় দিয়ে যে, *প্ৰমথনাথ* (সুপ্ৰা) গোচৰৰ মাধ্যমেৰে এই আদালতে উক্ত বিতৰ্কৰ অন্ত পেলায় আৰু *প্ৰমথনাথ* (সুপ্ৰা) গোচৰত ন্যায়াধীশ কাপুৰে দিয়া ৰায়ৰ ৪৮নং দফাৰ পৰ্যবেক্ষণৰ উদ্ধৃতি দিয়ে-

> “ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ২০৩ৰ অধীনত একে তথ্যৰ ভিত্তিত দ্বিতীয় অভিযোগ গ্ৰহণ কৰাত কোনো বাধা নাই, কিন্তু কেৱল ব্যতিক্ৰমী পৰিস্থিতিতহে সেয়া গ্ৰহণযোগ্য। উদাহৰণস্বৰূপে, য'ত পূৰ্বৰ আদেশ অসম্পূৰ্ণ তথ্যৰ ভিত্তিত অথবা অভিযোগৰ প্ৰকৃতিৰ সম্পৰ্কে ভূল ধাৰণাৰ ভিত্তিত দিয়া হৈছিল, অথবা যিটো আদেশ দিয়া হৈছিল সেয়া স্পষ্টকৈ অযুক্তিকৰ, বিবেচনাহীন আৰু মূৰ্খামী আছিল অথবা য'ত নতুন তথ্য অশেষ প্ৰচেষ্টাৰ স্বত্তেও প্ৰথম শুনানিৰ অভিলেখত লিপিবদ্ধ কৰিব পৰা নাছিল। গোচৰ এটাৰ বিচাৰ সম্পূৰ্ণ কৰি অভিযোগকাৰীৰ বিৰুদ্ধে ৰায়দান কৰাৰ পাছত অভিযোগকাৰী বা অন্য কোনো ব্যক্তিক গোচৰৰ আকৌ এবাৰ তদন্ত কৰোৱাৰ সুযোগ দিয়াটো ন্যায়ৰ স্বাৰ্থত কৰা বুলি ক'ব নোৱাৰি---"

২৫) *মহেশ চন্দ -বনাম- বি. জনাৰ্দন ৰেদ্দি আৰু আন এজন-*(২০০৩) ১ এচ.চি.চি. ৭৩৪ৰ গোচৰত এই আদালতৰ তিনিজনীয়া বিচাৰপীঠে আকৌ এই প্ৰশ্নটো ৭৪০নং পৃষ্ঠাৰ দফা নং ১৯ত বিচাৰ কৰে। এই আদালতৰ বিদ্যান ন্যায়াধীশ সকলে ৰায়দান কৰে যে, য'ত পূৰ্বৰ অভিযোগ কোনো কাৰণ নদৰ্শোৱাকৈ খাৰিজ কৰা হয়, তেনেক্ষেত্ৰত দ্বিতীয় অভিযোগ একেই তথ্যৰ ভিত্তিত দাখিল কৰাত সম্পূৰ্ণভাৱে বাধা নাই নতুবা তেনেধৰণৰ কোনো আইনগত বাধা নাই । কাৰ্য্যবিধিৰ ২০৪নং ধাৰাৰ অধীনত দণ্ডাধীশে কোনো এক অপৰাধৰ কগনিজেন্স (সংজ্ঞান হস্তক্ষেপ) ল'ব পাৰে আৰু কাৰ্য্যপ্ৰক্ৰিয়া নিৰ্ধাৰণ কৰিব পাৰে যদিহে, সেই প্ৰক্ৰিয়াৰ ক্ষেত্ৰত যথেষ্ট ভিত্তি থাকে। *মহেশ চন্দ* (সুপ্ৰা) গোচৰটো এই আদালতে *প্ৰমথা নাথ* (সুপ্ৰা) গোচৰৰ অনুপাতত ভিত্তি কৰি ৰায়দান কৰিছিল আৰু নিৰ্ধাৰণ কৰিছিল যে, যদি প্ৰথম অভিযোগ খাৰিজ হয় তেন্তে, কেৱল ব্যতিক্ৰমী পৰিস্থিতিতহে দ্বিতীয় অভিযোগ গ্ৰহণ কৰিব পাৰি আৰু তাৰ পিছত প্ৰমথা নাথ (সুপ্ৰা) গোচৰত বৰ্ণনা কৰা ব্যতিক্ৰমী পৰিস্থিতি সমূহৰ পুণৰাবৃত্তি কৰিছিল।

২৬) তাৰপিছত আদালতে ৰায় দিছিল যে, *প্ৰমথা নাথ*(সুপ্ৰা) গোচৰৰ অনুপাত এতিয়াও এই ক্ষেত্ৰত প্ৰযোজ্য। একেই নীতি এই আদালতে- *হিৰালাল আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ ৰাজ্য আৰু অন্যান্য* এ.আই.আৰ. ২০০৯ এচ.চি. ২৩৮০ গোচৰত পুণৰাবৃত্তি কৰিছিল। উক্ত আদেশৰ ১৪ নং দফাত এই আদালতে ওপৰত আলোচনা কৰা *মহেশ চন্দ*(সুপ্ৰা) গোচৰত নিৰ্ধাৰণ কৰা অনুপাতৰ স্পষ্টকৈ উদ্ধৃতি দিছিল।

২৭) উপৰোক্ত নীতিসমূহ যি সমূহ কম বেছি পৰিমাণে নিৰ্দিষ্ট/ধাৰ্য্য হৈছে আৰু ১৯৬২চনৰ পৰাই এই ক্ষেত্ৰত প্ৰযোজ্য হৈ আহিছে, তাৰ ওপৰত ভিত্তি কৰি আমি এই দৃষ্টি গ্ৰহণ কৰিছো যে, এই গোচৰত দ্বিতীয় অভিযোগটো প্ৰথম অভিযোগত উত্থাপন কৰা তথ্যৰ লগত প্ৰায় সমিলমিল থকা তথ্যৰ

ভিত্তিত ৰুজু কৰা হৈছিল, আৰু যিটো তথ্যৰ ভিত্তিত খাৰিজ কৰা হৈছিল। সেইবাবে, দ্বিতীয় অভিযোগটো ৰক্ষণাবেক্ষণৰ যোগ্য নহয়। এই আদালতে আৱিস্কাৰ কৰিছে যে, দুয়োটা গোচৰৰে মূলবিন্দু একেটাই। দ্বিতীয় অভিযোগত তেনেধৰণৰ একো প্ৰকাশ পোৱা নাই যিবোৰ বিষয়বস্তুৰ ফালৰ পৰা নতুন তথা যিবোৰ প্ৰথম অভিযোগত প্ৰকাশিত হোৱা নাছিল। দ্বিতীয় অভিযোগত উত্থাপন কৰা তথ্যসমূহ প্ৰথম অভিযোগৰ জ্ঞাত নাছিল বুলি কৰা পৰ্যাপ্ত চেষ্টাৰ পিছতো একো গোচৰ সৃষ্টি কৰিব পৰা নগ'ল। প্ৰকৃততে তেনেধৰণৰ এটা গোচৰ সৃষ্টি কৰিব পৰা নগ'ল কাৰণ, দুয়োটা অভিযোগৰ তথ্যসমূহ প্ৰায় একেই আছিল। এতেকে, দ্বিতীয় অভিযোগটো *প্ৰমথা নাথ* (সুপ্ৰা) গোচৰত বৰ্ণনা কৰাৰ দৰে ব্যতিক্ৰমী পৰিস্থিতিৰ ভিতৰত নপৰে। সেই দৃষ্টিকোণৰ পৰা দ্বিতীয় অভিযোগৰ বিষয়বস্তু গোচৰৰ তথ্যৰ ভিত্তিত গ্ৰহণযোগ্য নহয়।

২৮) দুৰ্ভাগ্যবশত উত্তৰদাতাৰ ৰিভিজন আবেদনত অনুমতি প্ৰদান কৰাত উচ্চ ন্যায়ালয়ে আইনী অৱস্থানৰ সঠিক মূল্যাংকণ কৰাত ভুল কৰিছে। উচ্চ ন্যায়ালয়ে ৰিভিজন ক্ষেত্ৰাধিকাৰৰ অধীনত প্ৰদান কৰা উক্ত ৰায় পোষণ কৰিব নোৱাৰি আৰু সেয়ে ৰদ কৰা হ'ল।

২৯) মাচুলৰ বাবে কোনো আদেশ নহ'ব।

আবেদনত অনুমতি প্ৰদান কৰা হ'ল।

-----------------------------------------------

অনুবাদ: শ্ৰীমতী স্বৰ্ণালী ব্ৰহ্ম চৌধুৰী

পৰীক্ষণ: ড. অৰ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be

used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্রত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্রতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”